**ADMITTED**

Priority in Ballot ..................................

No. of Notices Table ...........................

# Priority Question for the Assam Legislative Assembly

## ORIGINAL UNSTARRED

D. No .২৪

Department to which the day has been allotted:- সীমা সুৰক্ষা আৰু উন্নয়ন

The question will be put down for the sitting on the:-১৬/০৩/২২

250 Cyclostyled copies of the reply should reach Assembly Secretariat Latest by 3 P.M. on .১৪/০৩/২২

বিষয়ঃ সীমা সমস্যা

শ্ৰী দেৱব্ৰত শইকীয়া

মাননীয় সীমা সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম আৰু চুবুৰীয়া ৰাজ্যসমূহৰ সীমা সমস্যা সমাধানৰ বাবে বিগত ৫ বছৰত অসম চৰকাৰৰ হৈ লোৱা পদক্ষেপসমূহৰ তথ্য দিব।

(খ) এই ক্ষেত্ৰত অসম চৰকাৰৰ পৰৱৰ্তী স্থিতি যেনে-

১) উচ্চতম ন্যায়ালয়ত গোচৰ আৰু তাৰ স্থিতি,

২) সীমা আয়োগ গঠন, সীমা আয়োগ ৰ ৰায়দান তাৰ পৰৱৰ্তী স্থিতি,

৩) ত্ৰি-পাক্ষিক বৈঠক, বৈঠকৰ ফলাফল আৰু বৈঠকৰ সিদ্ধান্তৰ ওপৰত অসম চৰকাৰৰ স্থিতি আদি প্ৰতিখন ৰাজ্যৰ বাবে পৃথক পৃথকৈ উল্লেখ কৰিব।

(গ) অসম চৰকাৰে অসম-মেঘালয় সীমান্ত অঞ্চলত বসবাস কৰা জনসাধাৰণৰ প্ৰতিবাদ স্বত্বেও সদ্যহতে ৬ বিবাদিত অঞ্চলৰ ভূমি মেঘালয়ক হস্তান্তৰ কৰিবলৈ একপক্ষীয়ভাৱে লোৱা সিদ্ধান্তৰ পুনৰ বিবেচনা কৰিবনে?

(ঘ) এই অঞ্চলসমূহত অসম চৰকাৰৰ বিদ্যালয়, অসমৰ নামঘৰ, সত্ৰ আদি থকাৰ পিছতো মেঘালয়ৰ আগ্ৰাসন ৰোধ নকৰি মেঘালয়ক হস্তান্তৰ কৰাৰ কাৰণ জনাবনে?

(ঙ) অসম-অৰুণাচল সীমান্তৰ অসমৰ বনাঞ্চলত অৰুণাচল চৰকাৰে পথ নিৰ্মাণ আদি কৰাৰ তথ্য অসম চৰকাৰে লাভ কৰিছেনে জনাব। এনেদৰে বনাঞ্চলত আগ্ৰাসন কৰাৰ বিৰুদ্ধে অসম চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে, জনাবনে?

(চ) অসম-নাগালেণ্ড সীমান্তৰ মুঠ কিমান ৰাজহ আৰু বন ভূমি চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ দখলত আছে জনাবনে? এই ভূমিক অসমত অন্তৰ্ভুক্ত কৰাৰ বাবে অসম চৰকাৰে কেনেধৰণৰ ব্যৱস্থা লৈছে?